**দিনাংক - ১৪ ডিচেম্বৰ ২০১৩**

**বিষয় - বাংলাদেশৰ সৈতে ভূমি হস্তান্তৰণ চুক্তিৰ সন্দৰ্ভত সংবিধানৰ (১১৯) সংশোধন বিল ২০১৩ ৰ বিৰোধিতা -**

বাংলাদেশৰ সৈতে ভূমি হস্তাস্তৰণ চুক্তিৰ সন্দৰ্ভত সংবিধানৰ সংশোধন বিল প্ৰস্তাৱিত কৰাৰ প্ৰতিবাদত ৰাজ্যসভাৰ সভাপতিলৈ এখন পত্ৰ প্ৰেৰণ কৰিছিলো । ১৯৭৩ চনৰ কেশৱানন্দ ভাৰতী কেচ, য'ত সংবিধানৰ মৌলিক গাথঁনিৰ প্ৰসংগ উৎপত্তি হৈছিল আৰু কোৱা হৈছিল যে ভাৰতৰ বিস্তৃৰ্ণ ভু-ভাগ সলনি কৰাৰ ক্ষেত্ৰাধিকাৰ সংসদৰ নাই, আৰু এই তথ্যৰ ভিত্তিতে, মই ইয়াৰ প্ৰতিবাদ কৰিছো । ৰাষ্ট্ৰীয় ভূ-ভাগে ইয়াৰ সাৰ্বভৌমত্বক বুজায় আৰু দুয়ো সংবিধানৰ মৌলিক গাথঁনিৰ অংগ, সেইবাবে ইয়াক সংশোধন কৰিব নোৱাৰি ।

ডেপুটি চেয়াৰমেনৰ আদেশ অনুসৰি আৰু সেই সময়ৰ পৰিস্থিতিয়ে সদনত এই বিষয়ত প্ৰতিবাদ কৰাৰ পৰা মোক বিৰত ৰাখিছিল । ইয়াৰ ওপৰিও ১৩ ডিচেম্বৰ ২০১৩ তাৰিখে মাননীয় বিদেশ মন্ত্ৰী শ্ৰীযুত চলমান খুৰ্চীদে মোক এখন লিখিত উত্তৰ প্ৰেৰন কৰিলে । এই জাননীত মোৰ পত্ৰৰ সৈতে উক্ত লিখিত উত্তৰ খনো গাথিঁ দিয়া হৈছে । উচ্চ ন্যায়লয়ৰ কিছুমান ৰায়ৰ ওপৰত মন্ত্ৰীৰ উত্তৰসমূহো নিৰ্ভৰ কৰে । সেই ৰায়সমূহেও বিস্তৃৰ্ণ ভূ-ভাগৰ বিষয়টোক সংবিধানৰ মৌলিক গাথঁনি হিচাপে বিবেচিত কৰা নাই ।

অৰুণ জেটলী